# হেমচন্দ্ৰ বৰুৱা

অসমৰ সাহিত্যিক তথা সমাজ সংস্কাৰক

এই প্ৰবন্ধটো সাহিত্যিক, হেমকোষ অভিধানত প্ৰণেতাজনৰ বিষয়ে। অসমৰ স্বাধীনতা সংগ্ৰামীজনৰ বিষয়ে চাবৰ বাবে হেমচন্দ্ৰ বৰুৱা (ত্যাগবীৰ) চাওক।

**হেমচন্দ্ৰ বৰুৱা** (ইংৰাজী: Hemchandra Barua) (১৮৩৫–১৮৯৬) অসমীয়া ভাষা–সাহিত্যৰ এজন একনিষ্ঠ সেৱক।[1] **অসমীয়া ভাষাৰ ওজা** নামেৰে সম্বোধিত হেমচন্দ্ৰ বৰুৱা, হেমকোষ অভিধানৰ প্ৰণেতা। তেওঁৰ মৃত্যুৰ পিছত ১৯০০ চনত হেমকোষ প্ৰকাশিত হয়।[2]

| হেমচন্দ্ৰ বৰুৱা | |
| --- | --- |
|  | |
| **জন্ম** | ১৮৩৫ চনৰ ডিচেম্বৰ মাহ<br>যোৰহাট |
| **মৃত্যু** | ১৮৯৬ চন |
| **ৰাষ্ট্ৰীয়তা** | ভাৰতীয় |

## জন্ম

১৮৩৫ চনৰ ১০ ডিচেম্বৰত (১৭৫৭ শকৰ ২৪ আঘোন) অসমৰ যোৰহাট জিলাৰ ৰজা–বাহৰ গাঁৱত জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল **মুক্তাৰাম বৰুৱা** আৰু মাতৃৰ নাম আছিল **ৰূপহী দেৱী**। মুক্তাৰাম বৰুৱাৰ তিনিজন পুত্ৰ আৰু এজনী পুত্ৰী সন্তান আছিল। হেমচন্দ্ৰ বৰুৱা মুক্তাৰাম বৰুৱাৰ জেষ্ঠ সন্তান আছিল।[3]

## শিক্ষাৰম্ভ তথা প্ৰাকযৌৱন

হেমচন্দ্ৰ বৰুৱাৰ বিদ্যাৰম্ভ হৈছিল ৯ বছৰ বয়সত। দেউতাকে তেওঁক বৰ্ণমালা নিশিকোৱাকৈয়ে শব্দৰ আখৰ জোটনি শিকাইছিল আৰু তাৰ লগে লগে ব্যাকৰণো পঢ়ুৱাইছিল। ব্যাকৰণৰ সন্ধিলৈকে

শিকাৰ পাছতেই তেখেতে সেই শিক্ষাৰ অন্ত পৰে, কাৰণ সেইসময়তে তেওঁলোকৰ গাঁওখনত জহনী ৰোগে মহামাৰী ৰূপ ধাৰণ কৰাত পিতাকে গাঁৱৰ ৰোগীসকলৰ চিকিত্‌সাত দিনে ৰাতিয়ে ব্যস্ত হৈ থাকি শেষত নিজেই সেই ৰোগত আক্ৰান্ত হৈ ইহলীলা সম্বৰণ কৰে।[4] ফলত তেওঁ শিৱসাগৰলৈ গৈ খুৰাক **লক্ষ্মীৰাম বৰুৱা**ৰ ঘৰত থাকিবলগীয়া হয়। কিছুদিন পাছত লক্ষ্মীৰাম বৰুৱাই তেওঁক শিৱসাগৰ কাছাৰীত সুমুৱাই দিয়ে। তেতিয়া তেওঁ বেতন পাইছিল মাহে চাৰি টকা[3]। য'ত তেও কেপ্তেইন ব্ৰডীৰ সংস্পশলৈ আহে,যি সেই সময়ৰ শিৱসাগৰৰ ডেপুটী কমিচনাৰ আছিল ।কেপ্তেইন ব্ৰডীয়ে আৰু খ্ৰীষ্টান মিছনাৰীসকলৰ সহায়ত তেওঁক ইংৰাজী ভাষা আৰু সংস্কৃতিৰ জ্ঞান দিছিল ।

নানান প্ৰতিকূল পৰিস্থিতিক প্ৰত্যাহ্বান জনাই তেখেতে সংস্কৃত, হিন্দী আৰু ইংৰাজী ভাষাৰ জ্ঞান আহৰণ কৰিছিল।

## বিবাহ

১৮৫২ চনত তেখেতে বিয়া কৰাইছিল। এবছৰৰ পাছতে এজনী কণ্যা সন্তান জন্ম লাভ কৰে। জীয়েকৰ নাম **পদ্মাৱতী** ৰাখিছিল। বিয়াৰ মাত্ৰ দুবছৰ পাছতেই তেখেতৰ পত্নীয়ে অকাল মৃত্যু সাৱটি লয়।[3]

## কৰ্ম জীৱন

1. <u>গোলাঘাটৰ</u> ৰাজহ বিভাগৰ পেচকাৰ পদত ৬ মাহৰ বাবে যোগদান।
2. শিৱসাগৰ ইংৰাজী স্কুলত কিছুদিন শিক্ষা প্ৰদান।
3. পুনৰ ৰাজহ বিভাগৰ চাকৰিত যোগদান। (১৮৬২ চনলৈকে)
4. <u>গুৱাহাটীত</u> ন্যায়িক আদালতৰ ভাষা অনুবাদক (কাকতী) হিচাপে যোগদান।
5. অধীক্ষক (চুপাৰিণ্টেডেণ্ট) পদলৈ পদোন্নতি লাভ।
6. <u>কামৰূপৰ</u> উপায়ুক্ত কাৰ্যালয়ত এবছৰ অনুবাদক পদত যোগদান।
7. ন্যায়িক আয়ুক্ত চাহাবৰ কাৰ্যালয়ত পুণৰ যোগদান।

৪. কিছুকাল 'আছাম নিউজ' কাকতৰ সম্পাদক।

এইবোৰৰ উপৰিও তেখেতে অসমত মিশ্যেনেৰী সকলৰ দ্বাৰা প্ৰকাশিত অৰুণোদই সংবাদ পত্ৰৰ লগতো জড়িত হৈ আছিল। ১৮৯৬ চনত তেখেতৰ মৃত্যু হয়।

## প্ৰকাশিত পুথি

- অসমীয়া ব্যাকৰণ, ১৮৫৯ চনত প্ৰকাশ পায়।[3]
- অসমীয়া ল’ৰাৰ ব্যাকৰণ
- তুলনামূলক ব্যাকৰণ
- অসমীয়া ল'ৰাৰ আদিপাঠ

- পাঠ-মালা, এই পাঠ্যপুথিখন ১৮৮২ চনত ৰচনা কৰিছিল।[3]
- স্বাস্থ্য ৰক্ষা বা গা ভালে ৰাখিবৰ উপায়,
- কানীয়াৰ কীৰ্ত্তন
- বাহিৰে ৰংচং ভিতৰে কোৱাভাতুৰী
- আছামিজ মেৰেজ ছিষ্টেম[2]
- অসমীয়া হেমকোষ, এই অভিধানখন ১৯০০ চনত প্ৰকাশ পায়।[3]

## তথ্য সংগ্ৰহ

1. *http://onlinesivasagar.com/literature/hemchandra-barua.html অনলাইন শিৱসাগৰ ৱেবছাইটত উল্লেখিত তথ্য*
2. *নবীন চন্দ্ৰ লহকৰ (২০১২). অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা. অকণিৰ সাহিত্য সভা.*

*পৃষ্ঠা. ৩.*

3. *গগণ চন্দ্ৰ অধিকাৰী (১০ ডিচেম্বৰ, ২০১১ (শণিবাৰ)). ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা. পৃষ্ঠা. ৪.*
4. *http://www.iitg.ernet.in/rcilts/phaseI/hem_b.html RCILTS, IIT, Guwahati ত হেমচন্দ্ৰ বৰুৱাৰ বিষয়ে থকা তথ্য*

## বাহ্যিক সংযোগ

- কানীয়াৰ কীৰ্ত্তন, ৱিকিউৎসত থকা গ্ৰন্থ।
- indiaheritage.org

"https://as.wikipedia.org/w/index.php?title=হেমচন্দ্ৰ_বৰুৱা&oldid=191277"ৰ পৰা সংকলিত

Last edited 1 year ago by Gitartha.bordoloi

আন একো উল্লেখ নাথাকিলে এই বিষয়বস্তু CC BY-SA 3.0 ৰ আওতাত উপলব্ধ। এই পৃষ্ঠাটোৰ সংক্ষিপ্ত ইউ.আৰ.এল. : https://as.wikipedia.org/?curid=4901।